জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৯৫/২০২২**

অসম গেছ কোম্পানী লিমিটেডৰ হীৰক জয়ন্তী অনুষ্ঠানত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

# অসম গেছ কোম্পানী লিমিটেডক গেছ গ্ৰীড নেটৱৰ্ক শক্তিশালীকৰণ আৰু সামৰ্থতা বৃদ্ধিৰ জৰিয়তে ওচৰ-চুবুৰীয়া ৰাজ্য তথা অন্য ৰাষ্ট্ৰলৈ গেছ পৰিবহনৰ দিশত যথোচিত পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ৩ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম গেছ কোম্পানী লিমিটেডক ইয়াৰ গেছ গ্ৰীড নেটৱৰ্ক শক্তিশালী কৰাৰ লগতে সামৰ্থতা বৃদ্ধিৰ জৰিয়তে ওচৰ-চুবুৰীয়া ৰাজ্য তথা অন্য ৰাষ্ট্ৰলৈ গেছ পৰিবহনৰ দিশত যথোচিত পদক্ষেপ ল'বলৈ আহ্বান জনাইছে। আজি ডিব্ৰুগড় জিলাৰ দুলীয়াজানত অসম গেছ কোম্পানী লিমিটেডৰ হীৰক জয়ন্তী অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে এই আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে অসম গেছ কোম্পানী লিমিটেডক ৰাজ্যখনত বৈদ্যুতিক বাহন 'চাৰ্জিং ষ্টেচন' স্থাপনৰ জৰিয়তে এই ব্যৱসায়িক ক্ষেত্ৰখনতো মনোনিৱেশ কৰাৰ বাবে আহ্বান জনায়। তেওঁ লগতে কয় যে সাম্প্ৰতিক ব্যৱসায়িক বিশ্বত উদ্ভাৱন আৰু বৈচিত্ৰতাৰ গুৰুত্ব বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত ভূ ভাণ্ডাৰত সঞ্চিত খাৰুৱা তেলৰ উৎস ব্যৱহাৰৰ জৰিয়তে শক্তি আহৰণৰ পৰিৱৰ্তে বিদ্যুতৰ পৰা শক্তি আহৰণৰ বাবে অসম গেছ কোম্পানীয়ে উদ্যোগ গ্ৰহণ কৰিব লাগিব।

প্ৰাকৃতিক গেছৰ পৰিবহন আৰু বিতৰণৰ ক্ষেত্ৰখনত সগৌৰৱেৰে ছটা দশক সম্পূৰ্ণ কৰা অসম গেছ কোম্পানী লিমিটেডে আগবঢ়োৱা অৰিহণাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে প্ৰতিষ্ঠানটোৰ বৰ্তমান আৰু তদানীন্তন সকলো কাৰ্যবাহী আৰু বিষয়া-কৰ্মচাৰীক তেওঁলোকৰ অৱদানৰ বাবে ধন্যবাদ জনায়। তেওঁ লগতে অসম তথা দেশৰ ঔদ্যোগিক ক্ষেত্ৰখনত অসম গেছ কোম্পানী লিমিটেডে এক শক্তিশালী ঔদ্যোগিক প্ৰতিষ্ঠান হিচাপে গঢ় লৈ উঠাত বিশেষ ভূমিকা লোৱা প্ৰখ্যাত কাৰিকৰী বিশেষজ্ঞ তথা অভিযন্তা দেবেন্দ্ৰনাথ আচাৰ্যকো শ্ৰদ্ধাৰে স্মৰণ কৰে।

প্ৰাকৃতিক গেছৰ যোগান আৰু বিতৰণৰ দিশত অসম গেছ কোম্পানী লিমিটেড এটা বিশ্বাসযোগ্য আৰু কাৰিকৰীভাৱে শক্তিশালী উদ্যোগ হিচাপে পৰিগণিত হোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আজি উজনি অসমৰ বিভিন্ন প্ৰাকৃতিক গেছ ভিত্তিক সৰু-ডাঙৰ উদ্যোগ সামৰি বিস্তৃৰ্ণ অঞ্চলটোত প্ৰাকৃতিক গেছ যোগান ধৰাত এই কোম্পানী এক উল্লেখযোগ্য প্ৰতিষ্ঠান হিচাপে পৰিগণিত হৈছে।

মুখ্যমন্ত্ৰীয়ে কয় যে তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, চৰাইদেউ, যোৰহাট, গোলাঘাট আদি জিলাসমূহত অৱস্থিত প্ৰায় ৪২০ খন চাহ বাগিচা তথা চাহ ফেক্টৰীত গেছৰ যোগান ধৰি অসম গেছ কোম্পানী লিমিটেডে চাহৰ উৎপাদনত বিশেষ ভূমিকা গ্ৰহণ কৰি ৰাজ্যৰ অৰ্থনীতি টনকিয়াল কৰাত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। তদুপৰি, শক্তিখণ্ডৰ উদ্যোগসমূহলৈও অসম গেছ কোম্পানী লিমিটেডে যোগান ধৰি অহা প্ৰাকৃতিক গেছৰ ব্যৱহাৰে পৰিৱেশ অনুকূল শক্তি উৎপাদনতো উল্লেখযোগ্য ভূমিকা

গ্ৰহণ কৰিছে বুলি তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে উজনি অসমৰ প্ৰায় আটাইকেইখন জিলাৰ নগৰাঞ্চল তথা ইয়াৰ গ্ৰামাঞ্চলকে ধৰি ৪২ হাজাৰতকৈও অধিক উপভোক্তাৰ লগতে প্ৰায় ১২০০ বাণিজ্যিক উপভোক্তালৈ প্ৰাকৃতিক গেছ যোগান ধৰিবলৈ সক্ষম হোৱাটো এক প্ৰশংসনীয় কথা। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে শেহতীয়াকৈ অসম গেছ কোম্পানীয়ে অইল ইণ্ডিয়া লিমিটেডৰ সৈতে যৌথভাৱে ‘পেট্ৰলিয়াম এণ্ড নেচাৰেল গেছ ৰেগুলেটৰি ব’ৰ্ডে’ আহ্বান জনোৱা ‘চিটি গেছ ডিষ্ট্ৰিবিউচন’ৰ নিবিদাত অংশ লৈ ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰত লখিমপুৰ, ধেমাজি, দৰং, ওদালগুৰি, শোণিতপুৰ আৰু বিশ্বনাথ জিলাৰ লগতে ত্ৰিপুৰাৰ কেইবাখনো জিলাত ‘চিটি গেছ ডিষ্ট্ৰিবিউচন নেটৱৰ্ক’ গঢ়ি তুলি প্ৰাকৃতিক গেছৰ যোগান আৰু বিপণনৰ যি দায়িত্ব লাভ কৰিছে, এয়া সমগ্ৰ অসমবাসীৰ বাবে এক সুখবৰ।

আজিৰ প্ৰতিযোগিতামূলক ব্যৱসায়িক ক্ষেত্ৰখনত সফলতাৰে আগুৱাই যাবলৈ হ’লে ঔদ্যোগিক প্ৰতিষ্ঠানসমূহৰ বাবে উদ্ভাৱনীমূলক চিন্তা-চৰ্চাৰে আগবঢ়াৰ বাদে কোনো বিকল্প নাই বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই ক্ষেত্ৰত অসম গেছ কোম্পানীয়ে ইয়াৰ ব্যৱসায়িক ক্ষেত্ৰলৈ বিবিধতা অনাৰ প্ৰয়াস চলাই আহিছে। ডিব্ৰুগড় চহৰৰ চৌকিডিঙীত অসম গেছ কোম্পানীয়ে ৰাজ্যৰ প্ৰথমটো ‘চি এন জি ষ্টেচন’ স্থাপন কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই কোম্পানীয়ে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতেই ১২০ টা পেট্ৰ’ল আৰু ডিজেলৰ খুচুৰা বিক্ৰী কেন্দ্ৰ স্থাপন কৰি এইবোৰ কেন্দ্ৰতেই ‘চি এন জি ষ্টেচন’ আৰু বৈদ্যুতিক বাহন ‘চাৰ্জিং কেন্দ্ৰ’ সন্নিৱিষ্ট কৰাৰ লক্ষ্যৰে যিদৰে আগবাঢ়িছে তাৰ ফলত আহিবলগীয়া দিনবোৰত এই কোম্পানী যে ঔদ্যোগিক ক্ষেত্ৰখনত অধিক শক্তিশালীভাৱে আগুৱাই যাবলৈ সক্ষম হ’ব সেই কথা নিশ্চিত।

ভাৰত চৰকাৰৰ ‘হাইড্ৰ’কাৰ্বন ভিজন-২০৩০’ৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ হাইড্ৰ’কাৰ্বন খণ্ডৰ যথেষ্ট সম্ভাৱনীয়তা আছে। এই অঞ্চলটোত যথেষ্ট পৰিমাণে হাইড্ৰ’কাৰ্বন মজুত হৈ আছে আৰু ইয়াৰ প্ৰকৃত ব্যৱহাৰৰ জৰিয়তে অঞ্চলটোৰ উন্নয়নৰ ক্ষেত্ৰত এক নতুন মাত্ৰা সংযোজন কৰিব পৰা যাব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে অসম গেছ কোম্পানী লিমিটেডক ভাৰত চৰকাৰৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান, ভগ্নী সংগঠন আৰু ইয়াৰ স্থানীয় প্ৰতিষ্ঠানসমূহৰ সৈতে সহযোগিতাৰে কাম কৰাৰ বাবে আহ্বান জনাই কয় যে এনে পদক্ষেপে কোম্পানীটোৰ কাম-কাজ আৰু উন্নয়নৰ যাত্ৰাপথত নতুন গতি প্ৰদান কৰিব।

আজিৰ এই অনুষ্ঠানত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, পেট্ৰ’লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, শদিয়াৰ বিধায়ক তথা অসম গেছ কোম্পানী লিমিটেডৰ অধ্যক্ষ বলীন চেতিয়া, দুলীয়াজানৰ বিধায়ক তেৰচ গোৱালা, নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈ, ডি এন পি এলৰ অধ্যক্ষ ৰূপম গোস্বামী প্ৰমুখ্যে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ**

**৩-০৪-২০২২**